# এন ডি এ ৰ বিস্তাৰ

অৰুণ জেটলী

ৰাজ্যসভাৰ বিৰোধী দ'লৰ নেতা

শ্ৰীযুত ৰামবিলাশ পাচৱানৰ লোক জনশক্তি পাৰ্টিয়ে বিজেপি ক সহযোগ কৰাৰ সিদ্ধান্ত লৈছে আৰু এন ডি এ ৰ অংশ হৈ পৰিছে । লগতে বহুত সংখ্যক ৰাজনৈতিক নেতা, বিশিষ্ট নাগৰিক আৰু ৰাজনৈতিক দ'ল সংগঠনে দ'লত আহি অথবা এন ডি এ ৰ সৈতে গটবন্ধন কৰি বিজেপি ক সহযোগিতা আগবঢ়াইছে । দেশৰ স্বাৰ্থত বিজেপি / এন ডি এ আৰু নৰেন্দ্ৰ মোদীক আন দ'লৰ সহযোগিতা স্পষ্টভাৱে পৰিলক্ষিত হৈছে ।

যেতিয়া কোনো ৰাজনৈতিক সংগঠনে এন ডি এ ৰ সৈতে নিজৰ পৰিচয় লাভ কৰে, তেতিয়া তেওঁলোকৰ প্ৰভাৱ ৰাজ্যৰ লগতে সীমিত থাকে । তথাপিও তেওঁলোকৰ এন ডি এ ৰ সৈতে মিলিত হোৱাৰ কথাই বৃহৎ ৰাজনৈতিক ইংগিত প্ৰদান কৰে । বিজেপি য়ে যেতিয়া শ্ৰীযুত নৰেন্দ্ৰ মোডীক প্ৰধানমন্ত্ৰীৰ প্ৰাৰ্থী হিচাপে ঘোষনা কৰিছিল তেতিয়া সংবাদ জগতৰ লোক আৰু ৰাজনৈতিক বিচাৰক সকলে প্ৰথম প্ৰতিক্ৰিয়া দিছিল যে এই দ'লে সহযোগী দ'ল লাভ কৰাত কঠিন হ'ব । তেওঁলোকে ভাৱিছিল যে বিজেপি অকলশৰীয়া হৈ পৰিব । যেতিয়া গুৰিত সহযোগকাৰীৰ সমৰ্থন থাকে তেতিয়া এটা দ'ল অকলশৰীয়া হিচাপেও থাকিব পাৰে, অথচ এনে কেতিয়াও নহয় । শক্তিশালী বিজেপি দ'লে সহযোগী দ'লক আকৰ্ষন কৰাৰ ক্ষমতা অধিক থাকে । বিজেপি ৰ সহযোগী দ'লৰ শক্তি সভাত পৰিলক্ষিত হয় । ই স্পষ্টভাৱে সংবাদ দিছে যে ৰাজনৈতিক বতাহ কোন দিশত বৈ আছে । গুজৰাট আৰু কৰ্ণাটকা ৰাজ্যত বিজেপিক এৰি যোৱা লোক পুন: সহযোগিতা কৰি দ'লক আৰু শক্তিশালী কৰিছে । পঞ্জাৱ, হাৰিয়ানা, মহাৰাষ্ট্ৰ, বিহাৰ আৰু তামিলনাডু ৰাজ্যত আমাৰ গুৰুত্বপূৰ্ণ গটবন্ধন আছে । এনে বহুতো ৰাজ্য আছে য'ত ৰাজনৈতিক দ'ল নিৰ্বাচনৰ আগত অথবা নিৰ্বাচনৰ পাছত যোগদান কৰাৰ সম্ভাৱনা আছে ।

মই সদায়  বিশ্বাস কৰিছিলো যে শক্তিশালী বিজে পি য়ে এন ডি এ ক শক্তিশালী কৰি তুলিব । এন ডি এ ক শক্তিশালী কৰাৰ জ্ঞান অটলজীৰ কিতাপত উল্লেখ কৰা আছে । ১৯৯৬ চনত এন ডি এ ৰ সৈতে ৩ টা দ'ল আছিল । ১৯৯৮ চনত ২৪ টা দ'লে এন ডি এ ক সহযোগ কৰিছে । পৰম্পৰাগত দ'লক আকৰ্ষিত কৰিব'লৈ এজনক ভাৰতীয় সাৰ্বভৌমত্ব আৰু বিবিধতাক গ্ৰহণ কৰাৰ লগতে সন্মান কৰিব লগিব । জনপ্ৰিয় সমৰ্থন সহযোগী দ'লৰ সংখ্যা বৃদ্ধি আৰু তেওঁলোকৰ সামাজিক ব্যৱহাৰ গুৰুত্বপূৰ্ণ হৈ পৰিছে । এই সকলোৱে নতুন পৰিবৰ্ত্তনৰ ইংগিত দিছে ।